# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-09-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। ওড়িযাৰ চান্দিপুৰৰ সংহত পৰীক্ষণস্থলীৰ পৰা কালি মধ্য দূৰত্বভেদী অগ্নি-4 বেলিষ্টিক ক্ষেপনাস্ত্ৰৰ উৎক্ষেপন সফলতাৰে সম্পন্ন কৰা হয়।

২। উত্তৰ প্ৰদেশৰ হাথৰছ জিলাত কালি হোৱা এটা পথ দূৰ্ঘটনাত চাৰিটি শিশুসহ কমেও ১২ জন লোকে প্ৰাণ হেৰুৱায়।

২। সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গণেশ চতুৰ্থী পালন কৰা হৈছে।

৪। ভাৰতৰ বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমাণ ৩০ আগষ্টত সমাপ্ত হোৱা সপ্তাহটোত ৬৮ হাজাৰ ৩৯০ কোটি ডলাৰৰ অভিলেখ পৰ্যায়লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। ভাৰতৰ নিটিকাই ২০ বছৰৰ অনুৰ্ধৰ বিশ্ব মল্লযুদ্ধ প্ৰতিযোগিতাৰ মহিলাৰ ৬২ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ৰূপৰ পদক অৰ্জন কৰিছে।

ooooo

ওড়িযাৰ চান্দিপুৰৰ সংহত পৰীক্ষণস্থলীৰ পৰা কালি মধ্য দূৰত্বভেদী অগ্নি-4 বেলিষ্টিক ক্ষেপনাস্ত্ৰৰ উৎক্ষেপন সফলতাৰে সম্পন্ন কৰা হয়। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে, ক্ষেপনাস্ত্ৰবিধ উৎক্ষেপনৰ সময়ত সঞ্চালন আৰু কাৰিকৰী দিশৰ সকলো ধৰণৰ মানৰ পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা বুলি প্ৰকাশ কৰিছে। মন্ত্ৰ্যালয়ে কৈছে যে, কৌশলগত সেনা কামাণ্ডৰ তদাৰকত এই পৰীক্ষা সম্পন্ন কৰা হয়।

ooooo

উত্তৰ প্ৰদেশৰ হাথৰছ জিলাত কালি এখন ৰোডৱেজ বাছ আৰু মিনি ট্ৰাকৰ মাজত হোৱা মুখামুখি সংঘৰ্ষত চাৰিটি শিশুসহ কমেও ১২ জন লোকে প্ৰাণ হেৰুৱাই আৰু অন্য ১৬ জন আহত হয়। হাথৰছৰ জিলাধিপতিগৰাকীয়ে কৈছে যে, চন্দপা আৰক্ষী থানাৰ অধীনৰ মীতই গাঁৱৰ সমীপত ৯৩ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এই দূৰ্ঘটনা সংঘটিত হয়। আহতসকলক জিলা হাস্পতালত ভৰ্তি কৰোৱা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দূৰ্ঘটনাক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৰে সামাজিক মাধ্যম যোগে এই দূৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে এটা শোকবাৰ্তাত কৈছে যে, এই ঘটনা সঁচাকৈ দুখদায়ক। প্ৰধানমন্ত্ৰীয়ে লগতে নেদেখাজনৰ ওচৰত আহতসকলৰ আশুআৰোগ্যৰ বাবে প্ৰাৰ্থনা জনাইছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে কৈছে যে, ৰাজ্য চৰকাৰৰ তত্বৱধানত স্থানীয় প্ৰশাসনে দূৰ্ঘটনাত বলি হোৱা লোকসকলক সম্ভৱপৰ সকলো ধৰণৰ সহায়

আগবঢ়াইছে। তেওঁ লগতে এই দুৰ্ঘটনাত নিহত লোকসকলৰ নিকট আত্মীয়লৈ প্ৰধানমন্ত্ৰীয় ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথেও নিহতসকলৰ নিকট আত্মীয়লৈ ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱা হ'ব বুলি প্ৰকাশ কৰিছে।

ooooo

সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গণেশ চতুৰ্থী পালন কৰা হৈছে। জ্ঞান, সমৃদ্ধি আৰু সৌভাগ্যৰ প্ৰতীক ভগৱান গণেশৰ জন্মদিনৰ লগত সংগতি ৰাখি এই উৎসৱ পালন কৰা হয়। বিনায়ক চতুৰ্থী অথবা গণেশ উৎসৱ নামে পৰিচিত এই দিনটোত ১০ দিনীয়া উৎসৱৰ আৰম্ভণি হয়। এই সময়চোৱাত জনসাধাৰণে নিজৰ ঘৰত ভগৱান গণেশৰ মূৰ্তি স্থাপন কৰে আৰু পূজা কৰে। গণেশ বিসৰ্জনৰ পৰ্বৰে এই উৎসৱৰ সামৰণি পৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গণেশ চতুৰ্থী উপলক্ষে দেশৱাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে তেওঁৰ বাৰ্তাত কৈছে যে, উৎসাহ-আনন্দৰ এই উৎসৱে সামাজিক সম্প্ৰীতি আৰু ভাতৃত্বৰ বাৰ্তা বহন কৰে। তেওঁ কয় যে, ভগৱান গণেশ জ্ঞান, প্ৰজ্ঞা আৰু সমৃদ্ধিৰ প্ৰতীক আৰু গণেশ চতুৰ্থীৰ উৎসৱে আমাক বিনয়ী আৰু কৰ্মপৰায়ণ হ'বলৈ উৎসাহ যোগায় তথা সামাজিক সংহতিৰ প্ৰসাৰত অৰিহনা যোগায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে জনসাধাৰণক গণেশ চতুৰ্থী উপলক্ষে সমূহীয়াভাৱে এখন সমৃদ্ধিভাৱে আৰু শান্তিপূৰ্ণ ভাৰত গঢ়াৰ হকে সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ শুভেচ্ছা বাৰ্তাত কৈছে যে, জ্ঞান-সমৃদ্ধি আৰু সৌভাগ্যৰ প্ৰতিমূৰ্তি ভগৱান গণেশে কৌটি কৌটি লোকৰ হৃদয়ত বিশেষ স্থান অধিকাৰ কৰি আহিছে। তেওঁ কয় যে, বিঘ্নহৰ্তা ভগৱান গণেশে আমাক সাহস, নিষ্ঠা আৰু দৃঢ়তাৰে প্ৰত্যাহ্বান জয় কৰাৰ অনুপ্ৰেৰণা যোগায়। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে আনন্দৰ এই উৎসৱত একতা, ভাতৃত্ব বোধৰ ভাৱনা আকোঁৱালি ল'বলৈ আৰু আমাৰ সমূহীয়া প্ৰচেষ্টাৰ সকলো বিঘিনি দূৰ কৰাৰ সংকল্প গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ooooo

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখৰে আজি দিনযোৰা কাৰ্যসূচীৰে উত্তৰ প্ৰদেশৰ চিত্ৰকোট আৰু গোৰখপুৰৰ লগতে মধ্যপ্ৰদেশৰ চাটনাৰ চিত্ৰকোট ভ্ৰমণ কৰিব। উপৰাষ্ট্ৰপতিগৰকীয়ে আজি উত্তৰপ্ৰদেশৰ গোৰখপুৰত এখন নতুন সৈনিক বিদ্যালয় উদ্বোধন কৰিব। শ্ৰীধনখড়ে চিত্ৰকোটৰ জগতগুৰু ৰামভদ্ৰাচাৰ্য দিব্যাংগ ৰাজ্যিক বিশ্ববিদ্যালয়ত এখন ৰাষ্ট্ৰীয় অধ্যয়নচক্ৰতো মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। মধ্যপ্ৰদেশৰ চাটনাৰ চিত্ৰকোটত উপৰাষ্ট্ৰপতিগৰাকীয়ে দীনদয়াল গৱেষণা প্ৰতিষ্ঠানত নানাজী দেশমুখৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব।

ooooo

কংগ্ৰেছে হাৰিয়ানাৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৩১ গৰাকী প্ৰাৰ্থীৰ এখন তালিকা প্ৰকাশ কৰিছে। সেই অনুসৰি দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপিন্দৰ সিং হুদাই গঢ়ি চাম্পলা কিলোই আসনৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। প্ৰদেশ কংগ্ৰেছৰ মুৰব্বী উদয় ভানক হোদলৰ পৰা টিকট প্ৰদান কৰা হৈছে। একেদৰে কালি কংগ্ৰেছত যোগদান কৰা মল্লযোদ্ধা ৱিনেশ ফোগটক জুলানাৰ পৰা দলীয় প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে।

ৰাজ্যখনৰ প্ৰাক্তন মন্ত্ৰী গীতা ভূক্কল ঝজ্জৰৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ব। ৯০ জনীয়া হাৰিয়ানা বিধানসভাৰ বাবে ৫ অক্টোবৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০

ভাৰতৰ বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমাণ ৩০ আগষ্টত সমাপ্ত হোৱা সপ্তাহটোত ২০০ কোটিৰো অধিক ডলাৰ বৃদ্ধি পাই ৬৮ হাজাৰ ৩৯০ কোটি ডলাৰৰ অভিলেখ পৰ্যায় পাইছেগৈ। ভাৰতীয় ৰিজাৰ্ভ বেংকে কালি জাৰি কৰা তথ্য অনুসৰি বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধন একেৰাহে তৃতীয় সপ্তাহৰ বাবে বৃদ্ধি পাইছে। বিগত ৩ সপ্তাহত বিদেশী মুদ্ৰা ভাণ্ডাৰত জমা থকা ধন এহেজাৰ ৩৯০ কোটি ডলাৰ বৃদ্ধি পাইছে। এই সময়ছোৱাত মুদ্ৰা ভাণ্ডাৰত জমা থকা ধনৰ পৰিমাণ ৮৬ কোটি ২০ লাখ ডলাৰ বৃদ্ধি পাই ৫৫ হাজাৰ ৯০০ কোটি হৈছে। একেদৰে বিশেষ আহৰণ অধিকাৰ এছ ডি আৰ আৰু ৯০ লাখ ডলাৰ বৃদ্ধি পাই এহেজাৰ ৮৪৭ কোটি ডলাৰৰ স্তৰত উপনীত হৈছে।

০০০০০

ভাৰতে মৰ্গান ষ্টেনলি কেপিটেল ইণ্টাৰনেশ্যনেল MSCIৰ ইমাৰ্জিং মাৰ্কেটছ ইনভেষ্টেবল মাৰ্কেট ইনডেক্সত চলিত মাহত চীনক পিছ পেলাইছে। এই সূচকাংকত ভাৰত ২২ দশমিক ২-৭ শতাংশত উপনীত হোৱাৰ বিপৰীতে চীন ২১ দশমিক ৫-৮ শতাংশত আছে। অনুকূল অৰ্থনৈতিক অৱস্থাৰ পৰা ভাৰতৰ বজাৰসমূহ লাভান্বিত হৈছে। শেহতীয়াকৈ ভাৰতীয় অৰ্থনীতিৰ শক্তিশালী অৰ্থনৈতিক মৌলিক দিশৰ লগতে কৰ্পৰেটসমূহৰ চমকপ্ৰদ প্ৰদৰ্শনৰ বাবে দেশখনে অধিক বিনিয়োগ লাভ কৰিছে। তদুপৰি ভাৰতীয় ইকুইটি বজাৰত বহল ভিত্তিত লাভ দেখা গৈছে। এই লাভ লাৰ্জ-কেপৰ লগতে মিড-কেপ আৰু স্মল-কেপ সূচকাংকতো প্ৰতিফলিত হৈছে। এই ইতিবাচক ধাৰাত অৰিহণা যোগোৱা মূল কাৰকসমূহৰ ভিতৰত চলিত বৰ্ষৰ আৰম্ভণিতে প্ৰত্যক্ষ বিদেশী বিনিয়োগ ৪৭ শতাংশ বৃদ্ধি, খাৰুৱা তেলৰ মূল্য হ্ৰাস আৰু ভাৰতীয় বজাৰত যথেষ্ট পৰিমাণৰ বিদেশী বিনিয়োগ জড়িত হৈ আছে।

০০০০০

ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড° মাণিক সাহাই কালি বিধানসভাত ৰাজ্যখনৰ বানাক্ৰান্ত অঞ্চল আৰু বানপীড়িতৰ বাবে ৫৬৪ কোটি টকাৰ এটা বিশেষ পেকেজ ঘোষণা কৰিছে। তেওঁ কয় যে, শেহতীয়া বানপানীৰ ফলত হোৱা ক্ষয়-ক্ষতি বিবেচনা কৰি ৰাজ্য চৰকাৰে বিভিন্ন খণ্ডত তাৎক্ষণিক সাহায্য আৰু উদ্ধাৰ কাৰ্যৰ বাবে বিত্তীয় পেকেজ ঘোষণা কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে কয় যে, বানপানীৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ প্ৰাৰম্ভিক অনুমান প্ৰায় ১৪ হাজাৰ ২৪৭ কোটি টকা। তেওঁ কয় যে, প্ৰকৃত ক্ষয়-ক্ষতিৰ মূল্যায়নৰ অন্তত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ত অতিৰিক্ত ধন বিচাৰি স্মাৰক পত্ৰ দাখিল কৰিব। কালি ঘোষণা কৰা ৫৬৪ কোটি টকাৰ পেকেজত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বাবে ৭০ কোটি টকা ধাৰ্য কৰা হৈছে। ইয়াৰ জৰিয়তে দুমাহৰ বাবে প্ৰতিখন ৰেচন কাৰ্ডৰ বিপৰীতে ১০ কেজিকৈ অতিৰিক্ত চাউল প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ প্ৰায় ৯লাখ ৮ হাজাৰ দৰিদ্ৰ লোক উপকৃত হ'ব।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত পৰৱৰ্তী ৭ দিনত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে গুজৰাট, মহাৰাষ্ট্ৰ আৰু পূৱ ৰাজস্থানত অহা দুদিনত মুষলধাৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

০০০০০

সীমান্ত সুৰক্ষা বাহিনী, বি এছ্ এফে বৰ্ডাৰ গাৰ্ড বাংলাদেশ বিজিবিক ভাৰতীয় ভূখণ্ডত বাংলাদেশী নাগৰিকৰ অবৈধ প্ৰৱেশ  ৰোধ কৰিবলৈ কৈছে। দুয়োটা বাহিনীয়ে ভাৰত-বাংলাদেশ সীমান্তৰ স্থিতি সম্পৰ্কে অলপতে এখন বৈঠকত মিলিত হয়। বৈঠকত বিজিবিয়ে   বাংলাদেশত বাস কৰা ভাৰতীয় নাগৰিক আৰু সংখ্যালঘু সম্প্ৰদায়ৰ লোকৰ সুৰক্ষাৰ বাবে সকলো ধৰণৰ পদক্ষেপ লোৱাৰ আশ্বাস প্ৰদান কৰে। সীমান্ত সুৰক্ষা বাহিনী বি এছ্ এফে এটা বিবৃতি যোগে কৈছে যে, ভাৰত-বাংলাদেশ সীমান্তৰ পৰিস্থিতি সাধাৰণতে শান্তিপূৰ্ণ হৈ থাকে। বাহিনীটোৱে লগতে সীমান্তৱৰ্তী এলেকাসমূহত বাস কৰা জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তাৰ আশ্বাস প্ৰদান কৰিছে। বি এছ্ এফৰ জোৱানসকলে বি জি বিৰ সৈতে লগলাগি আন্তঃৰাষ্ট্ৰীয় সীমান্তত ২৪ ঘণ্টাই পহৰা দি আছে বুলিও বাহিনীটোৱে প্ৰকাশ কৰিছে।

০০০০০

আমেৰিকাত ৰিপাব্লিকান দলৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী ড'নাল্ড ট্ৰাম্পৰ মানহেট্টান গুপ্ত ধন অপৰাধ সম্পৰ্কীয় গোচৰৰ শাস্তি ঘোষণাৰ সময় নৱেম্বৰত হ'বলগীয়া নিৰ্বাচনলৈকে স্থগিত ৰখা হৈছে। ন্যায়াধীশ জুয়ান মাৰ্চানে ৫ নৱেম্বৰত হবলগীয়া নিৰ্বাচনৰ ৩ সপ্তাহৰ পাছলৈ শাস্তি ঘোষণাৰ সময় পিছুৱাই দিছে। আদালতে ১৮ ছেপ্টেম্বৰত শাস্তি ঘোষণা কৰাৰ কথা আছিল যদিও এই প্ৰক্ৰিয়াক বিলম্ব ঘটাবলৈ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ অধিবক্তাই কেইবাটাও আইনী কৌশল ব্যৱহাৰ কৰিছে। ট্ৰাম্পক নিউয়ৰ্কত যোৱা মে' মাহত ব্যৱসায়িক কেলেংকাৰী সম্পৰ্কীয় ৩৪টা গুৰুতৰ অভিযোগত দোষী সাব্যস্ত কৰা হৈছিল। প্ৰথমবাৰৰ বাবে দেশখনত এগৰাকী ৰাষ্ট্ৰপতি বা প্ৰাক্তন ৰাষ্ট্ৰপতি পৰ্যায়ৰ লোকক অপৰাধৰ বাবে দোষী সাব্যস্ত কৰা হৈছে। ট্ৰাম্পে চাৰি বছৰ পৰ্যন্ত কাৰাদণ্ডৰ শাস্তি লাভৰ সম্ভাৱনা আছে।

০০০০০

ভাৰতৰ নিটিকাই কালি স্পেইনৰ প'ন্টেৱেড্ৰাত অনুষ্ঠিত ২০ বছৰৰ অনুৰ্ধৰ বিশ্ব মল্লযুদ্ধ প্ৰতিযোগিতাৰ মহিলাৰ ৬২ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ৰূপৰ পদক অৰ্জন কৰে। নিটিকাই ফাইনেলত ইউক্ৰেইনৰ মল্লযোদ্ধা ইৰিনা বোন্দাৰাৰ হাতত ১-৪ ফলাফলত পৰাজিত হয়। খেলুৱৈগৰাকীয়ে যোৱা বছৰ ২০ বছৰৰ অনুৰ্ধৰ এছিয়ান চেম্পিয়নশ্বিপত সোণৰ পদক লাভ কৰিছিল। ভাৰতে বৰ্তমানলৈকে ২০ বছৰৰ অনুৰ্ধৰ বিশ্ব মল্লযুদ্ধ প্ৰতিযোগিতাত  এটা সোণ, এটা ৰূপ আৰু তিনিটা ব্ৰঞ্জসহ মুঠ ৫টা পদক লাভ কৰিছে।

০০০০০

**সমাপ্ত**